# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 08-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

আজি আন্তৰ্জাতিক নাৰী দিৱস। এই দিনটোত দেশ, জাতি, ভাষা, সংস্কৃতি, অৰ্থনীতি, ৰাজনৈতিক পৰিধি নিৰ্বিশেষে বিভিন্ন ক্ষেত্ৰত সাফল্য লাভ কৰা মহিলাসকলক স্বীকৃতি প্ৰদান কৰা হয়। এই বছৰ আন্তৰ্জাতিক নাৰী দিৱসৰ মূল বিষয়বস্তু হৈছে সকলো মহিলা আৰু কন্যাৰ বাবে অধিকাৰ, ক্ষমতা আৰু সৱলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে সকলোৰে বাবে সমান অধিকাৰ আৰু সুযোগৰ দ্বাৰ মুকলি কৰাৰ লগতে সৰ্বাত্মক ভৱিষ্যৎ সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাৱো হৈছে।

ৰাজ্যখনৰ বিভিন্ন অঞ্চলত এই দিৱস উপলক্ষে আজি ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ পল্টন বজাৰত অৱস্থিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ কাৰ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। এই কাৰ্যসূচীত অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোঁহাইৰ লগতে ল'ন বল খেলুৱৈ নয়নমণি শইকীয়াও উপস্থিত থাকে।

গুৱাহাটী মহানগৰীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ে আজি মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজন কৰা এটা অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ৰাজবালা দাসৰ স্মৃতিত সমাজকৰ্মী তথা লেখিকা জুনু বৰাক এই বছৰৰ ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে।

নাৰ্বাডৰ উদ্যোগত আৰু মঙলদৈ বে-চৰকাৰী সংস্থা ৰুৰেল অৰ্গেনাইজেচন ফৰ অলৰাউণ্ড ডেভেলপণ্টেমেণ্ট চমুকৈ ৰ'ড'ৰ সহযোগত মঙলদৈ ইয়ুথ ক্লাবত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। মৰিগাঁও জিলাতো একাধিক সংগঠন আৰু মৰিগাঁও জিলা নাথ যোগী সন্মিলনৰ উদ্যোগত জিলা সাংবাদিক সংস্থাৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। কাৰ্বি আংলং জিলাতো বিভিন্ন কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। কাৰ্বি আংলং জিলা মহিলা সমিতি আৰু জিলা কুষ্ঠ ৰোগ কাৰ্যালয়ৰ সহযোগত ডিফুত অনুষ্ঠিত আন্তৰ্জাতিক নাৰী দিৱসত নাৰীৰ অধিকাৰ, স্বাধীনতা আৰু নিৰাপত্তা শীৰ্ষক আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। তেজপুৰ মহাবিদ্যালয়ৰ মহিলা কোষ আৰু আই কিউ এ চিৰ সহযোগত তেজপুৰত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। বৰপেটা জিলাতো আজি বিভিন্ন অনুষ্ঠান তথা মহিলা সংগঠনৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। লখিমপুৰ জিলাৰ ঘূনাখুঁতি আঞ্চলিক মিচিং ছাত্ৰ সংগঠন আৰু মহিলা আত্মসহায়ক গোটৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। গোৱালপাৰা জিলাতো সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু গোৱালপাৰাৰ সখী একক অৱস্থান কেন্দ্ৰৰ সহযোগত গোৱালপাৰা চহৰত নাৰী দিৱস পালন কৰা হয়।

রাজ্যখনৰ বিভিন্ন স্থানত আন্তৰ্জাতিক নাৰী দিৱস উদযাপনৰ বিষয়ে আমাৰ বিভিন্ন জিলাৰ সংবাদ দাতাসকলে পঠিওৱা বাতৰি আহি আছে।

০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ অংশ হিচাপে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত লোক আদালত অনুষ্ঠিত হয়। ধুবুৰীতো আজি জিলা ন্যায়িক আদালত প্ৰাঙ্গনত লোক আদালতৰ আয়োজন কৰা হয়। এই আদালতত বেংক ঋণ আৰু বিদ্যুৎ মাচুল আদায়সহ মুঠ এহেজাৰ ৪০২ টা গোচৰ নিষ্পত্তি কৰা হয়। ইয়াৰ উপৰি জিলাখনত ৭১১ টা মটৰ দুৰ্ঘটনা, দেৱানি, ফৌজদাৰী গোচৰ নিষ্পত্তি কৰা হয়।

০০০০

ৰাজ্য চৰকাৰৰ বিভিন্ন পদক্ষেপৰ ফলত বিদেশী বিনিয়োগ, তথ্য প্ৰযুক্তি, গেছ, শক্তি আৰু আন্তঃগাথনি উন্নয়নৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি সাধন হৈছে। বিজনেচ নৰ্থ ইষ্টৰ উদ্যোগত আয়োজিত উত্তৰ পূৱ ব্যৱসায় সন্মিলন ২০২৫ ত অংশগ্ৰহণ কৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত বিনিয়োগ আৰু উদ্যোগ বিকাশৰ নতুন অধ্যয়ৰ সূচনা হৈছে আৰু ই অৰ্থনীতিৰ সৰলীকৰণ, নতুন উদ্যোগৰ সৃষ্টি আৰু যুৱ শক্তিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তেওঁ লগতে সন্মিলনৰ সফলতা কামনা কৰে আৰু উদ্যোক্তাসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু অসম পেট্ৰেকেমিকেলছৰ অধ্যক্ষ বিপুল কুমাৰ উপস্থিত থাকে। সন্মিলনত বহনক্ষম শক্তি, তথ্য প্ৰযুক্তি, আন্তঃসীমান্ত বাণিজ্য আৰু উদ্যোগৰ বিকাশ আদি বিষয় লৈ আলোচনা কৰা হয়।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী আই আই টি নিৰ্মাণৰ ফলত ক্ষতিগ্ৰস্ত ২৪ টা পৰিয়ালক ভূমি পট্টা বিতৰণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। এই পদক্ষেপে ভূমি সম্পৰ্কীয় বিষয়সমূহৰ সমাধান আৰু প্ৰভাৱিত পৰিয়ালৰ কল্যাণৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰিছে।

০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহালে আজি কোকৰাঝাৰত আয়োজিত এটা অনুষ্ঠানত ৫৯০ গৰাকী প্ৰাক্তন উগ্ৰপন্থী সদস্যলৈ ৪ লাখ টকাকৈ ম্যাদি জমাৰ প্ৰমাণ পত্ৰ বিতৰণ কৰে। অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেণ নাথে আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান আৰু গৃহ বিভাগৰ সচিবো উপস্থিত থাকে।

০০০০

উত্তৰ পূৱ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থা এন এফ আৰ এছ এ আৰু গ্লোবেল ফুটবল ক্লাৱে লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। এন এফ আৰ এছ এ আজি গুৱাহাটী জজ ফিল্ডত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ-এ এছ ই বিক ২-

০ গলত পৰাস্ত কৰে। একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত গ্লোবেল ফুটবল ক্লাবে -ডুবি ক্ৰীড়া সন্থাক ৩-১ গলত পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাত কাইলৈ বাকী দুখন কোৱাৰ্টাৰ ফাইনেল খেলোৱা হ'ব। ইয়াৰে প্ৰথমখনত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ - ৰাণী কোচিং চেণ্টাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দ্বিতীয়খন খেলত শ্বিলং লাজং ফুটবল ক্লাৱ - লেনৰ'ল ফুটবল ক্লাৱৰ সন্মুখীন হ'ব।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ ডুবাই ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। ভাৰতে মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে নিউজিলেণ্ডে বুধবাৰে লাহোৰত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেল খেলখনক লৈ ক্ৰিকেট প্ৰেমীসকলৰ মাজত অভূতপূৰ্ব উৎসাহ পৰিলক্ষিত হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ